# ফিলীমনৰ প্ৰতি পত্ৰ

১পৌল, যীচু খ্ৰীষ্টৰ বন্দী আৰু আমাৰ ভাই তীমথিয়,
২আমাৰ প্ৰিয় বন্ধু আৰু সহকৰ্মী ফিলীমন ২আৰু ভনী
আপ্পিয়া আৰু আমাৰ সহকৰ্মী আৰ্খিপ্পা; আৰু তোমাৰ ঘৰত
গোট খোৱা মণ্ডলীৰ সমীপলৈ ৩আমাৰ পিতৃ ঈশ্বৰ আৰু প্ৰভু
যীচু খ্ৰীষ্টৰ অনুগ্ৰহ আৰু শান্তি, তোমালোকৰ লগত হওক।

## ফিলীমনৰ প্ৰেম আৰু বিশ্বাস

৪মই তোমাক মোৰ প্ৰাৰ্থনাৰ কালত সদায় সোঁৱৰণ কৰি
ঈশ্বৰক ধন্যবাদ দিওঁ। ৫প্ৰভু যীচু আৰু ঈশ্বৰৰ সকলো
পবিত্ৰ লোকসমূহৰ প্ৰতি দেখুউৱা তোমালোকৰ প্ৰেম আৰু
বিশ্বাসতা বিষয়ে যেতিয়া মই শুনি পাও, ঈশ্বৰক মই ধণ্যবাদ
জনাওঁ। ৬তোমাৰ যি বিশ্বাস সেয়া মোৰো। আৰু মই প্ৰাৰ্থনা
কৰো, বিশ্বাসৰ এই সহভাগিতাই তোমাক আমাৰ মাজত
থকা ভাল গুণ সমুহ বুজায়, যিয়ে আমাক খ্ৰীষ্টৰ দৰে কৰে।
৭প্ৰিয় ভাই, তোমাৰ প্ৰেমেৰে পবিত্ৰ সকলৰ হৃদয় ভৰপূৰ
হৈ গল সেইয়ে তোমাৰ প্ৰেমেৰে মই আনন্দিত হৈছোঁ।

## ওনীচিমাক ভাইৰ দৰে গ্ৰহণ কৰিবা

৮সেই কাৰণে মই তোমাক যি কৰিবলগীয়া তাক
কওঁ।খ্ৰীষ্টত থকা মোৰ অধিকাৰত সেইতো কৰাবলৈ মই
তোমাক আদেশ কৰিব পাৰো। ৯কিন্তু মই তোমাক আদেশ
কৰা নাই মই তোমাক প্ৰেমেৰে অনুৰুধহে কৰিছো। মই
পৌল এতিয়া বৃদ্ধ আৰু যীচু খ্ৰীষ্টৰ বাবে কাৰাগাৰত বন্দী
১০মই তোমাক মোৰ পুত্ৰওনীচিমাকৰ নিমত্তে মিনতি
কৰো।কাৰাগাৰত থকা কালত সেই ওনীচিমাক পুত্ৰৰদৰে
পাইছিলো। ১১আগতে তেওঁ তোমাৰ উপযোগীনাছিল কিন্তু
এতিয়া তেওঁ আমাৰ দুয়োৰে বাবে উপযোগী হৈছে।
১২মই তেওঁক তোমাৰ ওচৰলৈ উভতাই পঠিয়াইছো।
কিয়নো মই কব বিছাৰো নিজৰ হৃদয়েৰে তোমাৰ ওচৰলৈ
পঠিয়াইছো। ১৩শুভবাৰ্তাৰ প্ৰচাৰৰ অৰ্থে মই কাৰাগাৰত
থকালৈকে মোক সহায় কৰিবৰ অৰ্থে তেওঁক মই ইয়াত
ৰাখিব বিছাৰিছিলো। মোক পৰিছৰ্য্যা কৰাৰ দ্বাৰাই তেওঁ
তোমাকেই প্ৰতিনাধিত্ব কৰিব। ১৪কিন্তু প্ৰথমে তোমাৰ
অনুমতি নোলোৱাকৈ মই একো কৰিব বিছৰা নাই।
তথাপিও মোৰ কাৰণে তুমি যিহকে কৰিব বিচৰা তাকে কৰা,
মই তোমাক বাধ্য নকৰাওঁ।
১৫কিছু সময়ৰ বাবে ওনীচিমা তোমাৰ পৰা পৃথক হৈছিল,
হয়টো এইটো ঘটিছিল যাতে তুমি চিৰকালৰ বাবে পুণৰায়
তেওঁক ঘূৰাই পাব পাৰা, ১৬এজন দাসৰ দৰে নহয় কিন্তু
দাসতকৈও উত্তম এজন প্ৰিয় ভাইৰ দৰে।সেইদৰে তেওঁ
মোৰ বাবেও, আৰু মই জানো যে তেওঁ তাতোতকৈও
অধিক তোমাৰ উপযোগী হব, এজন মানুহ হিচাপে আৰু
প্ৰভুত তোমাৰ বিশ্বাসৰ সহভাগী স্বৰোপে।
১৭যদি মোক তোমাৰ বন্ধু হিচাপে গ্ৰহণ কৰিছা
তেন্তে ওনীচিমাকো পুনৰাই গ্ৰহন কৰিবা। মোক যিদৰে
আদৰিলাহেঁতেন তেওঁকো সেই দৰে আদৰিবা। ১৮যদি তেওঁ
তোমাৰ ওচৰত কিবা ভুল কৰিছে বা কিবা দিবলগীয়া আছে
তেন্তে তাৰ বাবে মোক দোষী কৰিবা। ১৯মই পৌল, নিজ
হাতে ইয়াক লিখিছো, যদি ওনীচিমাকৰ কিবা দিবলগীয়া
আছে মই তাক পৰিশোধ কৰিম। তোমাৰ নিজৰ জীৱনৰ
বাবে তুমি মোক যি দিবলগীয়া তাৰ বিষয়ে মই আৰু একো
নকওঁ ২০হয় ভাই, মই তোমাৰ পৰা যীচু খ্ৰীষ্টতে এই লাভ
পালে মোৰ হৃদয়ে জিৰণি পাব । ২১মই ইচ্ছা কৰাৰ দৰে
বা তাতোকৈ অধিক তুমি কৰিবা বুলি জানি মই এই চিঠি
লিখিছো।
২২অনুগ্ৰহ কৰি মোৰ বাবে এটা কোঠা ঠিক কৰি ৰাখিবা;
মই আশাকৰো, ঈশ্বৰে তোমাৰ প্ৰাৰ্থনাৰ উত্তৰ দিব আৰু
যাতে মই তোমাক লগ পাবলৈ আহিব পাৰো।

## পত্ৰৰ সমাপন

২৩যীচু খ্ৰীষ্টৰ বাবে ইপাফ্ৰাও মোৰে সৈতে কাৰাগাৰত
বন্দী হৈ আছে। ২৪মাৰ্ক, আৰিষ্টাৰ্খ, দীমা আৰু লূকেও
তেওঁলোকৰ শুভেচ্ছা জানাইছে। তেওঁলোক মোৰ
সহকৰ্মী।
২৫প্ৰভু যীচু খ্ৰীষ্টৰ অনুগ্ৰহ তোমালোক প্ৰত্যেকৰ লগত
থাকক।